আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, FEBRUARY 16, 2024>> 10 PM  www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৫০  Guwahati, Assam ।। মূল্যঃ এটকা

## পুটিন প্ৰশাসনলৈ সন্দেহৰ আঙুলি, সমগ্ৰ বিশ্বজুৰি চাঞ্চল্য

# ৰাছিয়াত বিৰোধী নেতাৰ কাৰাগাৰত মৃত্যু



**মস্কো, ১৬ ফেব্ৰুৱাৰীঃ** আৰু মাত্ৰ এমাহ পিছত নিৰ্বাচন। কিন্তু তাৰ পূৰ্বেই ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ আটাইতকৈ দুৰ্ঘোৰ বিৰোধী নেতাগৰাকীৰ কাৰাগাৰৰ ভিতৰতে আকস্মিক মৃত্যুৰ খবৰে অলেখ প্ৰশ্নৰে অৱতাৰণা কৰিছে। ৰাছিয়াত ‘একনায়কত্ববাদী’ শাসন চলাই থকা পুটিনে দেশখনৰ অন্যতম জনপ্ৰিয় নেতাজনক পৰিকল্পিতভাৱে হত্যা কৰাৰো অভিযোগ উত্থাপন কৰিছে বিৰোধীসকলে। আনকি এই বিষয়ত এতিয়া প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে কেইবাখনো বিদেশী ৰাষ্ট্ৰয়ো। ১৬ ফেব্ৰুৱাৰীত ১৯ বছৰীয়া কাৰাদণ্ড ভুগি থকাৰ সময়তে কাৰাগাৰৰ ভিতৰত আকস্মিকভাৱে ঢলি পৰি মৃত্যুক সাৱটে ৰাছিয়াৰ আটাইতকৈ জনপ্ৰিয় বিৰোধী নেতা এলেক্সি নাভালনীয়ে। বিগত এটা দশক ধৰি ৰাছিয়াৰ ৰাজনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা এলেক্সি আছিল ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ প্ৰধান বিৰোধী। পুটিনৰ বিৰুদ্ধে দুৰ্নীতি আৰু অনিয়মৰ অভিযোগ উত্থাপন কৰি জনসমৰ্থন লাভ কৰিবলৈ সক্ষম হোৱা এলেক্সি নাভলীনক ২০২১ চনত গ্ৰেপ্তাৰ কৰাৰ পিছত ১৯ বছৰৰ কাৰাদণ্ড বিহা হৈছিল। অভিযোগ উত্থাপন হৈছিল- নাভলীনৰ বিৰুদ্ধে যি গোচৰ ৰুজু কৰি তেওঁক কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল, সেয়াও আছিল এক ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত গোচৰ। যোৱা বছৰ এলেক্সি নাভালনীক বদলি কৰা হৈছিল ৰাছিয়াৰ আটাইতকৈ কঠোৰ কাৰাগাৰসমূহৰ ভিতৰত অন্যতম আৰ্কটিক চাৰ্কল কাৰাগাৰলৈ। ইয়ামালো-নেনেটছ অটোন’মাছ ডিষ্ট্ৰিক্টৰ ফেডাৰেল পেনিটেনচিয়েৰী চাৰ্ভিচে এক বিবৃতিত কয় যে মস্কোৰ পৰা প্ৰায় ১৯০০ কিলোমিটাৰ (১২০০ মাইল) উত্তৰ-পূবে অৱস্থিত খাৰ্পৰ আই কে-৩ পেনাল কলনীত শুকুৰবাৰে পুৱা খোজ কঢ়াৰ পিছতে ‘অসুস্থ অনুভৱ কৰি’ প্ৰায় লগে লগে অচেতন হৈ ঢলি পৰিছিল নাভালনী। শেষাংশ ২ পৃষ্ঠাত

## ভাৰতত কংগ্ৰেছৰ বেংক একাউণ্ট ‘ফ্ৰিজ’

**নতুন দিল্লী, ১৬ ফেব্ৰুৱাৰীঃ** কংগ্ৰেছ মুক্ত ভাৰত গঢ়াৰ লক্ষ্যৰে ২০১৪ চনত বিজেপিয়ে নিৰ্বাচনী প্ৰচাৰ চলাই বৃহৎ সফলতা লাভ কৰিছিল। ২০১৯ চনতো বিজেপিয়ে বৃহৎ সফল হৈ কেন্দ্ৰত দ্বিতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰে। কিন্তু ১০ বছৰে কংগ্ৰেছ মুক্ত ভাৰত গঢ়িবলৈ সক্ষম নহ’ল বিজেপিয়ে! ১০ বছৰ পাছতো কংগ্ৰেছৰ বিৰুদ্ধেই যুঁজিব লগা হৈছে শাসকীয় বিজেপি দল। বিজেপিয়ে ২০২৪ চনৰ নিৰ্বাচনত কংগ্ৰেছ দলক চৌদিশৰ পৰা ঠেকি আনি ৪০০ খন আসন জয়ী হোৱাৰ প্ৰয়াস আৰম্ভ কৰিছে। কংগ্ৰেছৰ বিভিন্ন ৰাজ্যৰ নেতাক বিজেপিলৈ নি কংগ্ৰেছক নিশকটীয়া কৰিব খুজিছে। ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ পাছতো কংগ্ৰেছকে ভয় কৰি বিজেপিয়ে কংগ্ৰেছক দুৰ্বল কৰিবলৈ বিভিন্ন পন্থা অৱলম্বন কৰিবলগীয়া হৈছে। ইয়াৰ মাজতে এইবাৰ কংগ্ৰেছৰ বেংক একাউণ্টসমূহৰ লেন-দেন প্ৰক্ৰিয়া বন্ধ কৰি দিয়াৰ অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছ দলে। আজি সৰ্বভাৰতীয় কংগ্ৰেছৰ কোষাধ্যক্ষ অজয় মাকেনে এখন সংবাদমেল সম্বোধন কৰি শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাছিয়াত বিৰোধী নেতাৰ

ইয়াৰ পিছতে নাভালনীৰ চিকিত্সা আৰম্ভ কৰা হয় যদিও সকলো প্ৰয়াস ব্যৰ্থ হয়। কাৰাবন্দী বিৰোধী নেতাগৰাকীৰ মৃত্যুৰ কাৰণ নিৰ্ণয় কৰা হৈছে বুলি ইতিমধ্যে প্ৰকাশ কৰিছে কাৰাগাৰ প্ৰশাসনে। কিন্তু ৪৭ বৰ্ষীয় বিৰোধী নেতাগৰাকীৰ এনে আকস্মিক মৃত্যুক সহজভাৱে মানি ল'ব পৰা নাই তেওঁৰ পৰিয়াল আৰু সমৰ্থকসকলে। ৰাছিয়াৰ বাতৰি কাকত নোভায়া গাজেটাই নাভালনীৰ মাতৃৰ উদ্ধৃতি দি উল্লেখ কৰিছে যে তেওঁৰ পুত্ৰক শেষবাৰৰ বাবে ১২ ফেব্ৰুৱাৰীত দেখাৰ সময়ত “সম্পূৰ্ণ সুস্থ আৰু সুখী” আছিল। মাতৃৰ মতে, তেওঁৰ পুত্ৰৰ মৃত্যুক লৈ অপপ্ৰচাৰ চলোৱা হৈছে। তেওঁ কয়, “আমি তেওঁক কাৰাগাৰত ১২ ফেব্ৰুৱাৰীত লগ কৰিছিলো। সেই সময়ত তেওঁ জীয়াই আছিল, সম্পূৰ্ণ সুস্থ আৰু সুখী হৈ আছিল।” ইফালে, শুকুৰবাৰে এক্সযোগে নাভালনীৰ প্ৰেছ সচিবগৰাকীয়েও বিৰোধী নেতাগৰাকীৰ মৃত্যু নিশ্চিত কৰিব পৰা নাই বুলি প্ৰকাশ কৰে। তেওঁ কয় যে যদিও কাৰাগাৰ সেৱাই এই মৃত্যুৰ খবৰ প্ৰকাশ কৰিছে, তথাপি এতিয়াও নাভালনীৰ মৃত্যু নিশ্চিত কৰা হোৱা নাই। আনহাতে ৰাষ্ট্ৰখনৰ আটাইতকৈ জনপ্ৰিয় বিৰোধী নেতাগৰাকীৰ মৃত্যু নিশ্চিত কৰিবলৈ তেওঁ কাৰাবন্দী হৈ থকা কাৰাগাৰলৈ গৈছে নাভালনীৰ অধিবক্তা। নিৰ্বাচনৰ ঠিক পূৰ্বে কাৰাগাৰৰ ভিতৰত এগৰাকী অন্যতম বিৰোধী নেতাৰ আকস্মিক মৃত্যুৱে বহুতকে আশ্বৰ্যচকিত কৰি তুলিছে। বহুতে নাভালনীৰ মৃত্যুক হত্যা আখ্যা দিছে আৰু প্ৰত্যক্ষ অভিযোগ উত্থাপন হৈছে ৰাষ্ট্ৰপতি পুটিনৰ বিৰুদ্ধে। নাভালনীৰ ৰাজনৈতিক সংগঠনৰ প্ৰাক্তন মুৰব্বী লিঅ'নিড ভলকভে অভিযোগ কৰে যে যদি তেওঁৰ মৃত্যু হোৱাটো সঁচা হয়, তেন্তে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনেই তেওঁক হত্যা কৰিছে। ভলকভে এক্স হেণ্ডেলত লিখিছে, “ৰাষ্ট্ৰীয় অপপ্ৰচাৰ বিশ্বাস কৰাৰ আমাৰ কোনো ভিত্তি নাই। যদি সঁচা হয়, তেন্তে সেয়া ‘নাভালনীৰ মৃত্যু’ নহয়, কেৱল ‘পুটিনে তেওঁক হত্যা কৰিছে’ বুলিলেহে সঁচা হ'ব৷ কিন্তু মই সিহঁতক এক চেকেণ্ডৰ বাবেও বিশ্বাস নকৰো।” নাভালনীৰ মৃত্যুৰ বাবে ৰাছিয়া চৰকাৰলৈ সন্দেহৰ আঙুলি টোঁৱাইছে পশ্চিমীয়া চৰকাৰ আৰু ৰাছিয়াৰ বিৰোধী ব্যক্তিসকলেও। জনপ্ৰিয় বিৰোধী নেতাগৰাকীৰ মৃত্যুৰ খবৰৰ পিছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰি হোৱাইট হাউছে কয় যে এই মৃত্যু যদি নিশ্চিত কৰা হয় তেন্তে “এটা ভয়ংকৰ ট্ৰেজেডী” হ'ব। হোৱাইট হাউছৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা জেক চুলিভানে লগতে কয় যে ক্ৰেমলিনৰ বিৰোধীক ক্ষতি কৰাৰ “দীঘলীয়া আৰু জঘন্য” ইতিহাসে “নাভালনীৰ মৃত্যু সম্পৰ্কে বাস্তৱিক আৰু স্পষ্ট প্ৰশ্ন উত্থাপন কৰে।” আমেৰিকাৰ বিদেশ মন্ত্ৰী এণ্টনি ব্লিংকেনে কয় যে এই খবৰবোৰে ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে গঢ়ি তোলা ব্যৱস্থাটোৰ “দুৰ্বলতা আৰু পচনশীলতা”ক স্পষ্ট কৰিছে। মিউনিখত ব্লিংকেনে কয়, “প্ৰথম আৰু প্ৰধান কথাটো হ'ল, যদি এই খবৰসমূহ সঁচা হয়, তেন্তে তেওঁৰ পত্নী আৰু তেওঁৰ পৰিয়াললৈ আমি সহমৰ্মিতা প্ৰকাশ কৰিছো।” ব্লিংকেনে লগতে কয়, “তাৰ বাহিৰেও ৰাছিয়াৰ কাৰাগাৰত নাভালনীৰ মৃত্যু আৰু এজন মানুহৰ স্থিৰতা আৰু ভয়ে পুটিনে গঢ়ি তোলা ব্যৱস্থাটোৰ মূল দুৰ্বলতা আৰু পচনশীলতাকহে প্ৰকট কৰিছে। ইয়াৰ বাবে ৰাছিয়া দায়ী।” ব্লিংকেনে কয় যে আমি এলেক্সি নাভালনীৰ বিষয়ে চিন্তিত। আমি আন বহু দেশৰ সৈতে কথা পাতিম, বিশেষকৈ যদিহে এই খবৰসমূহ সঁচা বুলি প্ৰমাণিত হয়। ব্ৰিটিছ প্ৰধানমন্ত্ৰী ঋষি সুনাকে কয় যে এলেক্সি নাভালনীৰ মৃত্যুৰ খবৰ ভয়ংকৰ। “এয়া ভয়ংকৰ খবৰ। ৰাছিয়াৰ গণতন্ত্ৰৰ আটাইতকৈ কঠোৰ সমৰ্থক হিচাপে এলেক্সি নাভালনীয়ে গোটেই জীৱন অবিশ্বাস্য সাহস প্ৰদৰ্শন কৰি আহিছিল।”- এক্সৰ এক পোষ্টত এইদৰে কয় সুনাকে। তেওঁ লগতে কয়, ‘মোৰ সমবেদনা তেওঁৰ পত্নী আৰু ৰাছিয়াৰ জনসাধাৰণৰ সৈতে আছে, যাৰ বাবে এইটো এক বৃহৎ ট্ৰেজেডী।’ ইউৰোপীয় সংঘই কয় যে এই মৃত্যুৰ বাবে ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ নেতৃত্বাধীন ৰাছিয়া একমাত্ৰ দায়ী। ইউৰোপীয় পৰিষদৰ অধ্যক্ষ চাৰ্লছ মিচেলে কয়, “এলেক্সি নাভালনীয়ে স্বাধীনতা আৰু গণতন্ত্ৰৰ মূল্যবোধৰ বাবে যুঁজিছিল। তেওঁৰ আদৰ্শৰ বাবে তেওঁ চূড়ান্ত ত্যাগ কৰিছিল।” ইফালে নাটোৰ সচিব প্ৰধান জেন্স ষ্টলটেনবাৰ্গে কয় যে এই খবৰ লাভ কৰি তেওঁ “গভীৰভাৱে দুখী আৰু বিচলিত হৈ পৰিছে”।জাৰ্মানীৰ চেন্সেলৰ অলাফ শ্ব'লজে কয় যে তেওঁ প্ৰতিবেদনক লৈ “অতি দুখী” আৰু লগতে কয় যে শেহতীয়া বছৰবোৰত দেশ হিচাপে ৰাছিয়া কেনেকৈ সলনি হৈছে তাৰ “ভয়ংকৰ” প্ৰমাণ। ইফালে শুকুৰবাৰে এক্সত লাটভিয়াৰ ৰাষ্ট্ৰপতি এডগাৰ্ছ ৰিংকেভিচে কয় যে ৰাছিয়াৰ বিৰোধী নেতা এলেক্সি নাভালনীক “ক্ৰেমলিনে নিৰ্মমভাৱে হত্যা কৰিছে”। “ৰাজনীতিবিদ হিচাপে এলেক্সি নাভালনীক লৈ আপুনি যিয়েই চিন্তা নকৰক কিয়, তেওঁক ক্ৰেমলিনে নিৰ্মমভাৱে হত্যা কৰিছে।'-তেওঁ লিখিছে। স্পেইনৰ বৈদেশিক মন্ত্ৰী জোচে মেনুৱেল আলবাৰেছে কাৰাগাৰত এলেক্সি নাভালনীৰ মৃত্যুৰ “পৰিস্থিতি স্পষ্টীকৰণ”ৰ দাবী জনায়। “এলেক্সি নাভালনীৰ মৃত্যুত গভীৰভাৱে স্তম্ভিত। ৰাজনৈতিক কাৰণত তেওঁৰ অন্যায় কাৰাগাৰত থকাৰ সময়ত সংঘটিত হোৱা তেওঁৰ মৃত্যুৰ পৰিস্থিতিৰ বিষয়ে আমি স্পষ্ট কৰাৰ দাবী জনাইছো।" “আলবাৰেছে এইদৰে কয়। ইফালে ৰাছিয়াৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ মাৰিয়া জাখাৰোভাই কাৰাগাৰত বন্দী বিৰোধী নেতা এলেক্সি নাভালনীৰ মৃত্যুৰ সন্দৰ্ভত পশ্চিমীয়া দেশসমূহে যি অভিযোগ উত্থাপন কৰিছে সেয়া “ভিত্তিহীন” বুলি অভিহিত কৰে। মেচেঞ্জাৰ এপ টেলিগ্ৰামত প্ৰকাশ কৰা এক বিবৃতিত জাখাৰোভাই কয় যে নাভালনীৰ মৃত্যুৰ ফৰেনছিক ফলাফল এতিয়াও উপলব্ধ নহয় যদিও পশ্চিমীয়া দেশসমূহে ইতিমধ্যে নিজৰ সিদ্ধান্তত উপনীত হৈছে। ১৯৭৬ চনৰ ৪ জুনত ৰাছিয়াৰ বুটিন চহৰত জন্মগ্ৰহণ কৰিছিল এলেক্সি নাভালনীয়ে। বিগত এটা দশক ধৰি ৰাছিয়াৰ ৰাজনীতিত সক্ৰিয় হৈ থকা থকা এলেক্সি আছিল একেৰাহে এগৰাকী অধিবক্তা, দুৰ্নীতি বিৰোধী কৰ্মী, বিৰোধী নেতা আৰু শেহতীয়াকৈ এজন ৰাজনৈতিক কাৰাবন্দী। বিগত দশকত ৰাছিয়াৰ চৰকাৰ আৰু ৰাছিয়াৰ পুঁজিপতিৰ কেইবাটাও বৃহৎ দুৰ্নীতি পোহৰলৈ আনি ৰাছিয়াৰ জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল নাভালনীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতত কংগ্ৰেছৰ বেংক একাউণ্ট

কংগ্ৰেছৰ সকলো একাউণ্ট বন্ধ কৰি দিয়াৰ অভিযোগ উত্থাপন কৰিছে৷ যুৱ কংগ্ৰেছসহ মুঠ ৪টা বেংক একাউণ্টৰ লেন-দেন বন্ধ কৰি দিয়াৰ অভিযোগৰ পাছতে দেশৰ ৰাজনীতিত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়৷ বিভিন্ন পক্ষই এয়া বিৰোধী দলক নিৰ্বাচনৰ সময়ত বিপদত পেলাই বিজেপিয়ে স্বেচ্ছাচাৰিতাৰ প্ৰমাণ দিয়া বুলি অভিযোগ উত্থাপন কৰিছে৷ কিন্তু এই খবৰ প্ৰচাৰ হোৱাৰ পাছতে আয়কৰ আপীল ন্যায়াধিকৰণে কংগ্ৰেছক সকাহ প্ৰদান কৰে। দলটোৰ আইনী কোষৰ নেতা বিবেক তানখাই দাবী কয় ‘দিল্লী আপীল ন্যায়াধিকৰণৰ (ডিটি) বিচাৰপীঠ কৈছে যে কোনো দলৰ কোনো একাউণ্ট আয়কৰ বিভাগে ফ্ৰীজ কৰিব নোৱাৰে। একাউণ্টত সদায়ৰ দৰে লেনদেন কৰিব পাৰিব।’ আয়কৰ বিভাগে লোকসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ আৰু সহযোগী দলৰ বিৰুদ্ধে কাম কৰাৰ অভিযোগ উত্থাপিত হৈছে। অজয় মাকনে শুকুৰবাৰে অভিযোগ কৰে যে বিত্ত মন্ত্ৰালয়ৰ দ্বাৰা নিয়ন্ত্ৰিত আয়কৰ বিভাগে যুৱ কংগ্ৰেছকে ধৰি বিভিন্ন সহযোগী সংস্থাৰ একাউণ্ট ফ্ৰীজ কৰিছে। লোকসভা নিৰ্বাচনৰ পূৰ্বে পৰিকল্পিত ভাৱে এনে পদক্ষেপ লোৱা হৈছে। এই ঘটনাটো গণতান্ত্ৰিক ব্যৱস্থাৰ ওপৰত এক গুৰুতৰ আক্ৰমণ। বিভাগটোৱে যুৱ কংগ্ৰেছ আৰু ইয়াৰ সহযোগী সকলৰ পৰা আয়কৰ ৰিটাৰ্ণ দাখিলত অনিয়মৰ বাবে ২১০ কোটি টকাৰ জৰিমনা দাবী কৰিছিল। বিষয়টো এতিয়া আয়কৰ আপীল ন্যায়াধিকৰণৰ সন্মুখত বিচাৰাধীন হৈ আছে। ইয়াৰ মাজতে, আয়কৰ বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে। কংগ্ৰেছৰ সাংসদ আৰু বিধায়কসকলে দলীয় পুঁজিক দিয়া ভাউচাৰ অংশটো ফ্ৰীজ কৰা একাউণ্টত ৰখা হৈছিল। কোনজন সাংসদ আৰু বিধায়কে কিমান টকা দিছে সেই বিষয়ে আমাৰ ওচৰত বিতং তথ্য আছে। দেশত এতিয়া গণতন্ত্ৰ নাই। প্ৰকৃততে, একদলীয় স্বৈৰশাসন চলি আছে। মুখ্য বিৰোধী দলৰ বিৰুদ্ধে চৰকাৰী সংস্থাসমূহ ব্যৱহাৰ কৰা হৈছে। আমি ন্যায়পালিকা, সংবাদ মাধ্যম আৰু জনসাধাৰণৰ পৰা ন্যায় বিচাৰিম। কংগ্ৰেছ নেতা বিবেক তানখাই অভিযোগ কৰি কয় যে আয়কৰ বিভাগে চাৰিটা একাউণ্ট ফ্ৰীজ কৰিছে আৰু সংশ্লিষ্ট বেংকসমূহক সকলো লেনদেন বন্ধ কৰিবলৈ নিৰ্দেশ দিছে। ফলস্বৰূপে, লোকসভা নিৰ্বাচনৰ পূৰ্বে অনুদান গ্ৰহণ আৰু ব্যয় কৰাত সমস্যা হৈছে। উচ্চতম ন্যায়ালয়ে নিৰ্বাচনী বণ্ডক অসাংবিধানিক ঘোষণা কৰাৰ পাছতে মোদী চৰকাৰে বিৰোধীৰ অনুদান বন্ধ কৰিবলৈ কৌশল গ্ৰহণ কৰিছে বুলি কংগ্ৰেছ নেতাসকলে অভিযোগ আনিছে৷

# প্ৰতিবাদৰ মাজতে শম্ভূ সীমান্তত ৬৫ বছৰীয়া কৃষকৰ মৃত্যু

**নতুন দিল্লী, ১৬ ফেব্ৰুৱাৰীঃ** মোদী চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদৰ মাজতে আকৌ প্ৰাণ হেৰুৱালে দেশৰ কৃষকে। হাজাৰ হাজাৰ কৃষকৰ 'দিল্লী চলো' প্ৰতিবাদ অব্যাহত থকাৰ সময়তে দিল্লীৰ সম্ভু সীমান্তত হৃদৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰে পঞ্জাৱৰ এগৰাকী ৬৫ বৰ্ষীয় কৃষকে। আৰক্ষীয়ে কৃষকৰ ওপৰত নিক্ষেপ কৰা কন্দুৱা গেছৰ বাবেই কৃষকগৰাকীয়ে শ্বাস-প্ৰশ্বাসৰ অসুবিধাৰ সন্মুখীন হৈ প্ৰাণ হেৰুৱাবলগীয়া হোৱা বুলি অভিযোগ কৰিছে পৰিয়ালৰ লোকে। নিহত কৃষকগৰাকী পঞ্জাৱৰ গুৰদাসপুৰ জিলাৰ চাচেকী গাঁৱৰ নিৱাসী জ্ঞান সিং বুলি জানিব পৰা গৈছে। তথ্য অনুসৰি, কৃষকগৰাকীয়ে দিল্লী সীমান্তত প্ৰতিবাদ সাব্যস্ত কৰি সম্ভু বেৰিয়াৰ ছাইটৰ পৰা প্ৰায় এক কিলোমিটাৰ নিলগত আন ৫ গৰাকী কৃষকৰ সৈতে নিশা শুই থকাৰ সময়তে পুৱা প্ৰায় ৩ বজাত শ্বাস-প্ৰশ্বাসৰ অস্বস্তি অনুভৱ কৰাৰ কথা কয়। ইয়াৰ পিছতে কৃষক জ্ঞান সিঙক সতীৰ্থসকলে সম্ভু থানাৰ সমীপতে ৰখাই থোৱা এম্বুলেন্সৰ জৰিয়তে ৰাজপুৰা অসামৰিক চিকিৎসালয়লৈ লৈ যায় যদিও তাৰ পৰা তেওঁক পাটিয়ালাৰ ৰাজিন্দ্ৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয় আৰু তাতেই চিকিৎসকে পুৱা প্ৰায় ৭.৪৫ বজাত মৃত ঘোষণা কৰে। প্ৰণিধানযোগ্য যে, অবিবাহিত জ্ঞান সিঙে নিজৰ ১.৫ একৰ কৃষিভূমিত খেতি কৰি আহিছিল আৰু ভতিজাকসকলৰ লগতে বাস কৰিছিল। ২০১৯ চনত কৃষি আইনৰ বিৰুদ্ধে সাব্যস্ত কৰা প্ৰতিবাদৰ সময়তো সক্ৰিয় ভূমিকা পালন কৰিছিল জ্ঞান সিঙে। কিষাণ মজদুৰ মৰ্চাৰ ভাতৃ সংগঠন কিষাণ মজদুৰ সংঘৰ্ষ সমিতিৰ লগতে সংযুক্ত কিষাণ মৰ্চাৰো সদস্য আছিল জ্ঞান সিং। তেওঁৰ ভতিজাকে অভিযোগ কৰা মতে, ১৩ ফেব্ৰুৱাৰীত দিল্লী সীমান্তত আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ সময়ৰ পৰাই উশাহ-নিশাহৰ সমস্যাত ভুগিছিল কৃষকগৰাকী। প্ৰণিধানযোগ্য যে, ১৫ ফেব্ৰুৱাৰীত সম্ভু সীমান্তৰ সমীপত নিয়োজিত ৫৬ বৰ্ষীয় চৰকাৰী ৰে’ল আৰক্ষী বিষয়া হীৰা লালৰো হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু ঘটে। আন্দোলনকাৰী কৃষকৰ পৰা প্ৰায় ৭০০ কিলোমিটাৰ নিলগত সতৰ্কতামূলক কৰ্তব্যত নিয়োজিত হৈ থকা ৰে’ল আৰক্ষী বিষয়াগৰাকীক ১৩ ফেব্ৰুৱাৰীত উশাহ-নিশাহৰ সমস্যাৰ বাবে আম্বালা কেণ্টৰ চৰকাৰী হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও ১৫ ফেব্ৰুৱাৰীত চিকিৎসকে মৃত ঘোষণা কৰে।

# মণিপুৰত আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত আক্ৰমণ, ৩ জন নিহত

**নতুন দিল্লী, ১৬ ফেব্ৰুৱাৰীঃ** মণিপুৰত সাধাৰণ নাগৰিকৰ জীৱন-সম্পত্তি দূৰৰ কথা, এতিয়া নিৰাপত্তাৰক্ষীৰো নিৰাপত্তা নোহোৱা হৈছে৷ কটকটীয়া নিৰাপত্তা বেষ্টনী থকা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত দুৰ্বৃত্তই আক্ৰমণ কৰাত আকৌ এবাৰ এই কথা প্ৰমাণিত হৈছে৷ ইতিমধ্যে কেইবাখনো আৰক্ষী থানাত আক্ৰমণ কৰি দুৰ্বৃত্তই অস্ত্ৰ-শস্ত্ৰ লুটি নিয়াৰ পাছতে চুড়াচান্দপুৰত আৰক্ষী অধীক্ষকৰ কাৰ্যালয় আৰু উপায়ুক্তৰ কাৰ্যালয়ত কেইবা শ লোকে আক্ৰমণ কৰে৷ এই আক্ৰমণত তিনিজন লোক নিহত হোৱাৰ লগতে ৩০ জন লোক আঘাতপ্ৰাপ্ত হৈছে৷ সশস্ত্ৰ উগ্ৰপন্থীৰ সৈতে লগলাগি কেইবা শতাধিক লোকে আৰক্ষী অধীক্ষকৰ কাৰ্যলায় আৰু উপায়ুক্তৰ কাৰ্যালয়ত আক্ৰমণ কৰাৰ সময়তে আৰক্ষীয়ে গুলীচালনা কৰাত তিনিজন লোকৰ মৃত্যু হয়৷ ঘটনাই সমগ্ৰ মণিপুৰত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ তিনিজন লোকৰ মৃত্যু হোৱাত ক্ষোভিত বিভিন্ন দল-সংগঠনে আৰক্ষীৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ দাবী উত্থাপন কৰে৷ এজন আৰক্ষী হেড কনিষ্টবলক নিলম্বন কৰাত হিংসাত্মক ঘটনাৰ সূত্ৰপাত হয়। কনিষ্টবলৰ নিলম্বনৰ পাছতে অস্থিৰতাই বিৰাজ কৰিছিল চুড়াচান্দপুৰত৷ তাৰ পাছতে উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত দুৰ্বৃত্তই আক্ৰমণ কৰি অগ্নিসংযোগ কৰে৷ কাৰ্যালয়ৰ পৰা জাতীয় পতাকাও আতৰাই পেলোৱা হয়৷ মণিপুৰ আৰক্ষীয়ে কয় যে প্ৰায় ৩০০-৪০০ লোকে আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত আক্ৰমণ কৰাৰ প্ৰয়াস কৰাৰ লগতে শিলগুটি নিক্ষেপ কৰিছিল। নিৰাপত্তাৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ কন্দুৱা গেছ নিক্ষেপ কৰি প্ৰত্যুত্তৰ দিছে। ঘটনাক নিৰীক্ষণত ৰখা হৈছে। চূড়াচান্দপুৰ আৰক্ষী অধীক্ষকে সশস্ত্ৰ লোক আৰু স্বেচ্ছাসেৱকৰ সৈতে একেলগে বহি থকা এটা ভিডিঅ' ছচিয়েল মিডিয়াত ভাইৰেল হয়৷ তাৰ পাছতে হেড কনিষ্টবল ছিয়াম লালপলক তাৎক্ষণিক ভাৱে নিলম্বন কৰা হৈছিল৷ ছিয়াম লালপলক অনুমতি অবিহনে আৰক্ষী থানা এৰি নাযাবলৈ নিৰ্দেশ দিয়া হৈছে৷ তাৰ পাছতে উত্তেজিত লোকে আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত আক্ৰমণ কৰে৷ ইপিনে মণিপুৰৰ ইম্ফল পূব জিলাৰ বিশেষ বাহিনীৰ শিবিৰৰ পৰা অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ লুটি নিয়া ঘটনা সন্দৰ্ভত ইণ্ডিয়া ৰিজাৰ্ভ বেটেলিয়নৰ ৭ জোৱানক নিলম্বন কৰা হৈছে। শিবিৰৰ পৰা অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ লুটি নিয়াৰ সময়ত ৭ জোৱানে কৰ্তব্যত গুৰুতৰ অৱহেলাৰ কাৰণে ৭ জোৱানক নিলম্বন কৰা হৈছে। মণিপুৰ আৰক্ষীয়ে কয় যে অস্ত্ৰ লুণ্ঠনৰ গোচৰত ৬ লোকক গ্ৰেপ্তাৰ কৰা হৈছে। আইআৰবি শিবিৰৰ পৰা লুটি নিয়া চাৰিটা ৰাইফল, এটা একে-ফৰটিচেভেন, দুটা এছএলআৰ আৰু গোলাবাৰুদ উদ্ধাৰ কৰা হৈছে। জানিব পৰা মতে, ১৩ ফেব্ৰুৱাৰীত আইআৰবিৰ শিবিৰত আক্ৰমণ কৰি উত্তেজিত জনতাই অস্ত্ৰ-শস্ত্ৰ লৈ পলায়ন কৰিছিল।

# নতুন গাঁও অন্তৰ্ভুক্তি প্ৰসংগঃ ট্ৰাইবেল সংঘক সকীয়নি অবড়ো সুৰক্ষা সমিতিৰ

**ই-সংবাদ, ১৬ ফেব্ৰুৱাৰীঃ** ট্ৰাইবেল সংঘই ট্ৰাইবেল বেল্ট আৰু ব্লকত নতুন নতুন গাঁও অন্তৰ্ভুক্ত কৰাৰ নিৰ্দেশ দিয়াৰ পাছতে জাঙুৰ খাই উঠিছে বিটিচি এলেকাৰ অবড়ো সমাজ৷ ট্ৰাইবেল সংঘই সময়ে সময়ে বিটিচিৰ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ ভূমিত বসবাস কৰি থকা অজনজাতিক উচ্ছেদ কৰিবলৈ দাবী জনাই অহাৰ পাছতে এইবাৰ নতুন নতুন গাঁও অন্তৰ্ভুক্ত কৰাৰ দাবী জনাইছে সংঘই৷ দেশ স্বাধীন হোৱাৰ পূৰ্বৰে পৰা বিটিচিত বসবাস কৰি থকা অবড়োসকলক এনেদৰে প্ৰতাৰিত কৰি অহাৰ সময়তে এইবাৰ ট্ৰাইবেল সংঘই বেল্ট আৰু ব্লকত নতুন গাঁও অন্তৰ্ভুক্ত কৰাৰ নিৰ্দেশক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে৷ ট্ৰাইবেল সংঘই ট্ৰাইবেল বেল্ট আৰু ব্লকত পুনৰ নতুন গাঁও অন্তৰ্ভুক্ত কৰাৰ নিৰ্দেশ দিয়াৰ পাছতে জাঙুৰ খাই উঠিছে অবড়ো সুৰক্ষা সমিতি৷ বৰমাত এখন সংবাদমেল সম্বোধন কৰি অবড়ো সুৰক্ষা সমিতিৰ সম্পাদক মাধৱ ৰাজবংশীয়ে ট্ৰাইবেল সংঘৰ সম্পাদক আদিত্য খাখলাৰীয়ে জিলা সমিতিসমূহলৈ প্ৰেৰণ কৰা জাননীখনক লৈ তীব্ৰ ক্ষোভ ব্যক্ত কৰে৷ অবড়ো সুৰক্ষা সমিতিৰ নেতা মাধৱ ৰাজবংশী আৰু পংকজ দাসে ট্ৰাইবেল বেল্ট আৰু ব্লক গঠনৰ সময়ত বাদ দিয়া গাঁৱক কোনো কাৰণতে পুনৰ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ ভিতৰত অন্তৰ্ভুক্ত কৰিবলৈ দিয়া নহ'ব বুলি স্পষ্ট কৰে৷ ২০০৩ চনত বড়ো বিদ্ৰোহীৰ সৈতে বিটিচি চুক্তি কৰাৰ ফলত বিটিএডি গঠন হৈছিল৷ সেই চুক্তিৰ ফলত অবড়োসকল আজিও লাঞ্চিত-বঞ্চিত৷ পুনৰ চৰকাৰৰ হস্তক্ষেপত ট্ৰাইবেল সংঘই জনজাতি অধ্যুষিত অঞ্চলৰ জৰীপ কৰি তালিকা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছে জিলা সমিতিসমূহক৷ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ বাহিৰত থকা জনজাতি প্ৰধান গাঁওসমূহ অন্তৰ্ভুক্ত কৰাৰ ষড়যন্ত্ৰই বিটিএডিক ৰক্তাক্ত কৰিব বুলিও মন্তব্য কৰে মাধৱ ৰাজবংশী আৰু পংকজ দাসে৷ সংগঠনটোৱে দাবী কৰি কয় যে বিটিএডিৰ অবড়োসকল সদায়েই ভূমি সমস্যাত ভোগী আহিছে৷ কিন্তু অবড়ো ৰাইজৰ সমস্যাৰ প্ৰতি পিঠি দি আহিছে সাংসদ নৱ কুমাৰ শৰণীয়াই৷ সেয়েহে নৱ কুমাৰ শৰণীয়াক আৰু সমৰ্থন নকৰে বুলি ঘোষণা কৰিছে অবড়ো সুৰক্ষা সমিতিয়ে৷

# মুখ্যমন্ত্ৰীক গামোচা পিন্ধোৱা গোলাঘাট কংগ্ৰেছৰ সভাপতি দাদু টায়েক অপসাৰণ

**ই-সংবাদ, ১৬ ফেব্ৰুৱাৰীঃ** গোলঘাট জিলা ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক গামোচা পিন্ধাই গোলাঘাট জিলা কংগ্ৰেছৰ সভাপতি পদৰ পৰা অপসাৰিত হোৱাৰ পাছতে কংগ্ৰেছৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰিছে দাদু টায়ে৷ ৰাজ্যিক কংগ্ৰেছৰ ৰোষত পৰি দাদু টায়ে বিশেষকৈ কলিয়াবৰৰ সাংসদ তথা কংগ্ৰেছৰ জ্যেষ্ঠ নেতা গৌৰৱ গগৈক আক্ৰমণ কৰি গগৈৰ দেহত মিয়াৰ তেজ থকা বুলি কয়৷ আজি সংবাদমেল সম্বোধন কৰি দাদু টায়ে কলিয়াবৰৰ সাংসদ গৌৰৱ গগৈৰ অনুমতিত তেওঁক নিলম্বিত কৰাৰ অভিযোগ উত্থাপন কৰে। গৌৰৱ গগৈৰ গাত তৰুণ গগৈৰ তেজ নাই, তাৰ পৰিৱৰ্তে মিয়াৰ তেজেৰে তেওঁৰ তেজ দূষিত বুলি আক্ৰমণ কৰে৷ দাদু টায়ে গৌৰৱ গগৈৰ অতি ঘনিষ্ঠ আছিল৷ গৌৰৱ গগৈৰ উজনি ভ্ৰমণৰ সময়ত সদায়েই দাদু টায়েক দেখা গৈছিল৷ আনকি মুখ্যমন্ত্ৰীৰ সৈতে ফটো ভাইৰেল হোৱাৰ এদিন পাছত গোলাঘাটত গৌৰৱ গগৈৰ কাৰ্যসূচীত উপস্থিত আছিল দাদু টায়ে৷ তাৰ পাছতো টায়েক অপসাৰণ কৰাত গৌৰৱ গগৈৰ উদ্দেশ্যে কয় যে বিজেপিৰ ঢৌৰ মাজতে আপোনাক কলিয়াবৰ সমষ্টিৰ ৰাইজে দুবাৰকৈ বিজয়ী কৰিছে। অতি তলৰ পৰ্যায়ৰ নেতাৰ সৈতে আলোচনা কৰি আপুনি নগাঁৱলৈ যোৱাৰ সিদ্ধান্ত লৈছে? জিলা কংগ্ৰেছ কৰ্মীসকলক কি উত্তৰ দিব? আপুনি কেতিয়াবা জিলা সভাপতি হিচাপে মোৰ সৈতে কথা পাতিছেনে?৷ আপুনি কিয় ক'ব নোৱাৰে মই কাজিৰঙাত প্ৰতিদ্বন্দ্বিতা কৰিম। যদি পোনে পোনে নগাঁৱলৈ পলায়ন কৰে তেন্তে ৰকিবুল হুছেইনৰ লুঙিত ধৰি পলাই যাব পাৰে৷ তেন্তে আপোনাৰ দেহত তৰুণ গগৈৰ তেজ নাই, আহোমৰ তেজ নাই। আপোনাৰ শৰীৰৰ ৰকিবুল হুছেইনৰ তেজ, মিয়াৰ তেজেৰে দূষিত হৈছে। উজনি অসমৰ মানুহে আপোনাক ক্ষমা নকৰে। টায়ে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাত মোক লক্ষ্য কৰি লোৱা হৈছে বুলি কৈ কয় 'প্ৰাক্তন বিধায়িকা ৰৌজলীনা তিৰ্কীয়ে ২০২০ চনত বিজেপি নেতাক সাক্ষাৎ কৰিছিল৷ তৎস্বত্বেও কাজিৰঙা আসনৰ টিকট দিয়া হ'ব৷ তেতিয়া তিৰ্কীয়ে বিজেপিলৈ যোৱাৰ বাতৰি প্ৰচাৰ হৈছিল৷' আবেগিক হৈ দাদু টায়ে আৰু কয় যে গৌৰৱ গগৈ, মই আপোনাৰ বাবে ছাঁৰ দৰে আছিলো। মই ভাবিছিলো আপুনি অসমৰ উজ্জ্বল ভৱিষ্যত। সমস্যাৰ মুহূৰ্তত আপুনি মোক সুৰক্ষা নিদিলে। আপোনাৰ পৰামৰ্শ আৰু আপোনাৰ অনুমতি অবিহনে, ভুপেন বৰাও মোক পদৰ পৰা মোক আঁতৰাবলৈ সাহস নকৰে। যদি মই ভুল কৰিছো, তেন্তে আপুনি আগন্তুক লোকসভা নিৰ্বাচনত কাজিৰঙা আসনৰ পৰা ৰৌজলীনা তিৰ্কীক টিকট কিয় দিছে? আপুনি এনে লোকৰ পৰা আতৰি থকা উচিত। যেতিয়া তেওঁ বিধায়িকা আছিল, তেতিয়া তেওঁ প্ৰথম বিধায়ক আছিল যিয়ে সৰুপথাৰত বিজেপিৰ কাৰ্যালয়লৈ গৈ গামোচা লৈছিল৷ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাত স্পষ্টিকৰণ দি দাদু টায়ে কয় 'যদি মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাটো অপৰাধ, তেন্তে বহুবাৰ এনে অপৰাধ কৰিম। কংগ্ৰেছৰ বহু নেতাই বিজেপিলৈ উৰা মৰাৰ প্ৰস্তুতি চলাই আছে৷ বিধায়ক কমলাক্ষ দে' পুৰকায়স্থ আৰু বসন্ত দাস শেহতীয়াকৈ বিধানসভাত মুখ্যমন্ত্ৰীক মুকলি সমৰ্থন ঘোষণা কৰিছে। মই মিচিং সম্প্ৰদায়ৰ এজন ব্যক্তি হৈ যদি হিমন্ত বিশ্ব শৰ্মাক লগ ধৰি অপৰাধ কৰিছো, তেন্তে মই তেনে অপৰাধ হাজাৰ বাৰ কৰিম। কিন্তু যিসকলে নিশা নিয়মীয়াকৈ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰে, তেওঁলোকৰ বিৰুদ্ধেও ব্যৱস্থা লোৱা উচিত। উল্লেখ্য যে, দুদিন পূৰ্বে সৰুপথাৰত গোপনে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি ৰাজ্যিক কংগ্ৰেছৰ ৰোষত পৰে দাদু টায়ে৷ এই সাক্ষাতকাৰ গোপন আছিল যদিও এগৰাকী বিধায়কৰ ঘনিষ্ঠই মন্ত্ৰীক গামোচা পিন্ধোৱা ফটোসমূহ কংগ্ৰেছ দলৰ লোকক দিছিল৷ সেই ফটো সংবাদমাধ্যমত ভাইৰেল হয়৷ ভাইৰেল হোৱাৰ পাছতে পত্নীৰ চাকৰি সংক্ৰান্তীয় কামত সাক্ষাৎ কৰিব যোৱা বুলি দলৰ শীৰ্ষক নেতৃত্বক জনাইছিল যদিও দলে সেই কথা মানি নলৈ পদৰ পৰা অপসাৰণ কৰে দাদু টায়েক৷

# নাবালিকা ধৰ্ষণকাৰী মৰিগাঁৱৰ ওৱাহিদ আলীক যাৱজ্জীৱন কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও, ১৬ ফেব্ৰুৱাৰীঃ** মৰিগাঁও পকচো আদালতে এক ৰায় যোগে নাবালিকা ধৰ্ষণকাৰীক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে৷ আজি ৰায় প্ৰদান কৰি ধৰ্ষণকাৰী ওৱাহিদ আলী যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে৷ মৰিগাঁও জিলাৰ জাগীৰোড আৰক্ষী থানাৰ অন্তৰ্গত ঘুনুচাহাবি গাঁৱত ঘৰ ধৰ্ষণৰ গোচৰৰ দোষী ওৱাহিদ আলীৰ (৬৫)৷ প্ৰাপ্ত তথ্য মতে ওৱাহিদ আলীয়ে বিগত বৰ্ষৰ ২৪ মাৰ্চত একে গাঁৱৰ এগৰাকী নাবালিকাক ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপন হৈছিল৷ নাবালিকাৰ পিতৃয়ে জাগীৰোড আৰক্ষী থানাত গোচৰ ৰুজু কৰে। এই সন্দৰ্ভত ক্ষীপ্ৰতাৰে তদন্ত কৰি জাগীৰোড আৰক্ষী থানাৰ উপ-পৰিদৰ্শক বন্তি সন্দিকৈয়ে বিগত বৰ্ষৰ ২৪ মে'ত মৰিগাঁও পকচো আদালতত অভিযোগনামা দাখিল কৰে।


অভিযোগনামাৰ ভিত্তিত আদালতে বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পকচো আদালতৰ বিশেষ ন্যায়াধীশে ওৱাহিদ আলীক দোষী সাব্যস্ত কৰে৷ পকচো আইনৰ ৬ ধাৰাত দোষী সাব্যস্ত কৰি নাবালিকা ধৰ্ষণকাৰী ওৱাহিদক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে।

# দুৰ্ঘটনাত প্ৰেমিকৰ মৃত্যুৰ খবৰ পাই প্ৰেমিকাৰ আত্মহত্যা, কোকৰাঝাৰত চাঞ্চল্য

**ই-সংবাদ, কোকৰাঝাৰ, ১৬ ফেব্ৰুৱাৰীঃ** প্ৰেমিকৰ দুৰ্ঘটনাত মৃত্যু হোৱাৰ দুখ সহ্য কৰিব নোৱাৰি কালি নিশা প্ৰেমিকা ছাত্ৰীয়ে চিপজৰী লৈ আত্মহত্যা কৰা ঘটনাই কোকৰাঝাৰ চহৰত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিহত ছাত্ৰীগৰাকীক কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ বিজ্ঞান শাখাৰ মেধাবী ছাত্ৰী তথা মইছবাথান, প্ৰতাপখাতাৰ স্বৰ্গীয় জিতেন ব্ৰহ্ম আৰু পুৰ্নিমা ব্ৰহ্মৰ কন্যা দিপীকা ব্ৰহ্ম (১৭) বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত বাতৰি মতে কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ বিজ্ঞান শাখাৰ মেধাবী ছাত্ৰী দিপীকা ব্ৰহ্মই চহৰখনৰ বাগানশালীৰ এটা পিজিত থাকি পঢ়া-শুনা কৰিছিল। প্ৰায় ১০ -১২ দিন পূৰ্বে মটৰ চাইকেল দুৰ্ঘটনাত প্ৰেমিক হিৰণ্যৰ মৃত্যু হোৱাৰ পাছতেই দিপীকা শোকত ভাঙি পৰে। কন্যাৰ মনৰ অৱস্থা বুজিব পাৰি মাতৃ পূৰ্ণিমা ব্ৰহ্মই কন্যাৰ লগতে থাকিবলৈ লয়। কালি নিশা মাতৃ গভীৰ নিদ্ৰাত থকাৰ সুযোগলৈ দিপীকা ব্ৰহ্ম সমৰ্পনে দুৱাৰ খুলি বাহিৰলৈ ওলাই আহে। পুৱতি নিশা সাৰ পাই কন্যাক বিচনাত নেদেখি মাতৃয়ে ইফাল সিফাল বিচাৰে যদিও সন্ধান নাপাই কোকৰাঝাৰ সদৰ থানাত অৱগত কৰে।ইফালে পুৱাৰ ভাগত পিজিৰ মালিকে দিপীকাৰ কোঠাৰ দুৱাৰখন খোলা দেখা পায় যদিও দিপীকা আৰু তাইৰ মাতৃক নেদেখি বাহিৰলৈ ওলাই আহে। ঘৰৰ পৰা উত্তৰ দিশে কিছু গছ-গছনিৰে ভৰা নিৰ্জন ঠাইত এগৰাকী যুৱতী চিপলৈ আত্মহত্যা কৰা বুলি জানি দিপীকাৰ মাকক ফোন কৰি ক'ত আছে বুলি সোধে। মাকে থানাত থকাৰ কথা কোৱাত ঘৰৰ ওচৰত অঘটন এটা হোৱা বুলি জনোৱাত দিপীকাৰ মাক উধাতু খাই ঘটনাস্থলীলৈ আহে আৰু তেওঁৰ জীয়ৰীৰ ওলমি থকা মৃতদেহ প্ৰত্যক্ষ কৰে। ঘটনাটো তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে আৰু আৱেগৰ কৰুণ পৰিণতিত এগৰাকী মেধাৱী ছাত্ৰীৰ অকাল বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# প্ৰশ্নকাকত ফাদিল হোৱা নাই! দাবী শিক্ষামন্ত্ৰীৰ

**ই-সংবাদ, ১৬ ফেব্ৰুৱাৰীঃ** অসমত প্ৰশ্নকাকত ফাদিল এক ব্যাধিত পৰিণত হৈছে৷ নিযুক্তি পৰীক্ষাৰ প্ৰশ্নকাকত আৰু সাধাৰণ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনা সাধাৰণ কথাত পৰিণত হৈছে৷ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ প্ৰথমটো দিনতে নামনি অসমত প্ৰশ্ন কাকত ফাদিল হোৱাৰ অভিযোগ উত্থাপন হৈছিল৷ তাৰ পাছতে আজিৰে পৰা অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগ উত্থাপন হৈছে৷ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰথমটো দিনতে প্ৰশ্ন কাকত ফাদিল হোৱাৰ অভিযোগে চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ কাছাৰৰ বাশকান্দি নেনা মিয়া পৰীক্ষা কেন্দ্ৰৰ পৰা প্ৰশ্নকাকত ভাইৰেল হোৱাৰ অভিযোগ উঠে৷ পৰীক্ষা আৰম্ভ হোৱাৰ আধা ঘণ্টা পাছতে পৰীৰ প্ৰশ্নকাকত মোবাইলে মোবাইলে ভাইৰেল হোৱাৰ অভিযোগ উঠে৷ ততাতৈয়াকৈ জিলা উন্নয়ন আয়ুক্ত আৰু আৰক্ষী অধীক্ষক পৰীক্ষা কেন্দ্ৰত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰে৷ পৰীক্ষা কেন্দ্ৰটোত কাছাৰৰ আৰক্ষী অধীক্ষক নোমল মাহাত্তা, কাছাৰ জিলাৰ উন্নয়ন আয়ুক্ত ৰাজীৱ ৰায় আৰু বিদ্যালয় পৰিদৰ্শক বৰ্ণিকা চেতিয়া উপস্থিত হৈ কেইবাজনো পৰীক্ষাৰ্থী আৰু পৰীক্ষা কেন্দ্ৰৰ নিৰীক্ষকক জেৰা চলাই এজন লোকক সোধ-পোছৰ বাবে আটক কৰিছে৷ আটক কৰা লোকজন বাশকান্দি নেনা মিয়া স্কুলৰ পৰিচালনা সমিতিৰ সদস্য বুলি জানিব পৰা গৈছে৷ দীৰ্ঘ সময় তদন্ত কৰি জিলা উন্নয়ন আয়ুক্ত ৰাজীৱ ৰায়ে কেন্দ্ৰটোৰ পৰা প্ৰশ্ন কাকত ফাদিল হোৱা নাই বুলি দাবী কৰিছে৷ তদন্ত অব্যাহত থাকিব বুলি উল্লেখ কৰিছে জিলা উন্নয়ন আয়ুক্ত ৰাজীৱ ৰায়ে৷ আনহাতে, আৰক্ষী অধীক্ষক নোমল মাহাত্তাই প্ৰশ্নকাকত কাছাৰৰ পৰা ফাদিল হোৱা নাই বুলি দাবী কৰিছে৷ ইপিনে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে৷ ডাঃ ৰণোজ পেগুৱে প্ৰশ্নকাকত ফাদিল হোৱাৰ ঘটনাৰ মিছা অপপ্ৰচাৰ আখ্যা দিয়ে৷ শিক্ষামন্ত্ৰী পেগুৱে কয় যে 'কাছাৰ জিলাত মেট্ৰিকৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ খবৰ মিছা। সংশ্লিষ্ট কৰ্তৃপক্ষই ভুৱা খবৰৰ উৎপত্তিৰ তদন্ত কৰি আছে আৰু তথ্য অনুসৰি আইনী ব্যৱস্থা গ্ৰহণ কৰিব।



বড়োলেণ্ড বিশ্ববিদ্যালয়ত আৰম্ভ যুৱ মহোৎসৱ

শেষ পৃষ্ঠা

# ইংলেণ্ডৰ যোগ্য প্ৰত্যুত্তৰ

**ৰাজকোট, ১৬ ফেব্ৰুৱাৰীঃ** ৰাজকোটত ভাৰত আৰু ইংলেণ্ডৰ মাজত চলি থকা তৃতীয় টেষ্টৰ দ্বিতীয় দিনা যোগ্য প্ৰত্যুত্তৰ আগবঢ়াবলৈ সক্ষম হৈছে ইংলেণ্ডে। ভাৰতৰ প্ৰথম ইনিংছৰ ৪৪৫ ৰানৰ উত্তৰত ইংলেণ্ডে আজি ৩৫ অভাৰত দুই উইকেট হেৰুৱাই ২০৭ ৰান সংগ্ৰহ কৰিছে। ভ্ৰাম্যমাণকাৰী দলটো অপেনিং বেটাৰ বেন ডুকেটে ১৩৩ ৰান কৰি বেট কৰি আছে। তেওঁ ৮৮ বলত শতৰান পূৰ্ণ কৰে। দিনান্তত তেওঁৰ লগত ন ৰিন কৰি ক্ৰিজত আছে জো ৰুট। অলী পোপৰ বেটৰ পৰা আহে ৩৯ ৰান। ইংলেণ্ডৰ ইনিংছৰ ১৪ নম্বৰ অভাৰৰ প্ৰথমটো বলত জেক ক্ৰাউলীৰ উইকেট দখল কৰি ভাৰতৰ ৰবীচন্দ্ৰন অশ্বিনে টেষ্টত পাঁচশটা উইকেট দখল কৰাৰ গৌৰৱ অৰ্জন কৰে। তেওঁৰ পূৰ্বে ভাৰতৰ কেৱল অনিল কুম্বলেই টেষ্টত পাঁচশৰ অধিক উইকেট দখল কৰিছিল। ইয়াৰ পূৰ্বে কালিৰ পাঁচ উইকেটত ৩২৬ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি ভাৰতে ১৩০.৫ অভাৰত ৪৪৫ ৰান সংগ্ৰহ কৰে। ৰবীন্দ্ৰ জাদেজাই কালিৰ ৰানৰ লগত দুই ৰান যোগ খৰি ১১২ ৰানত আউট হয়। শেষৰফালে ধ্ৰুৱ জোৰেলে ৪৬ আৰু অশ্বিনে ৩২ ৰানৰ বৰঙণি যোগায়।

# অসম বেকফুটত

মুম্বাই, ১৬ ফেব্ৰুৱাৰীঃ ৰঞ্জি ট্ৰফিৰ এলিট গ্ৰুপৰ অন্তিমখন লীগ মেছৰ প্ৰথম দিনাই অসমে বিপদত পৰিছে। ছাৰ্দুল ঠাকুৰৰ বিধ্বংসী বলিঙৰ সন্মুখত মুম্বাইৰ বিৰুদ্ধে অসমে ৩২.১ অভাৰত ৮৪ ৰান কৰি প্ৰথম ইনিংছ সামৰে। ইয়াৰ প্ৰত্যুত্তৰত মুম্বাই দলে শুভম ডুবেৰ অপৰাজিত ১০১ ৰানৰ সহায়ত ৪৮.৪ অভাৰত ছয় উইকেটত ২১৭ ৰান সংগ্ৰহ কৰে। ঘৰুৱা দলটোৱে হাতত চাৰিটা উইকেট থকা অৱস্থাত ১৩৩ ৰানৰ অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে। মাত্ৰ ৮৪ ৰানতে অসমৰ প্ৰথম ইনিংছৰ সামৰণি পৰে। দলৰ হৈ অভিষেক ঠাকুৰীয়ে সৰ্বোচ্চ ৩১ ৰান কৰে। মুম্বাইৰ হৈ ছাৰ্দুল ঠাকুৰে ২১ ৰানত দখল কৰে ছয়টা উইকেট।




৮৮ বলত শতক অৰ্জনৰ পিছত ইংলেণ্ডৰ বেটাৰ বেন ডুকেটে

# অনলাইন বুকিঙৰ বিড়ম্বনা! হোটেলৰ চলি আছে নিৰ্মাণকাৰ্য

**নতুন দিল্লী, ১৫ ফেব্ৰুৱাৰীঃ** অনলাইন এপৰ জৰিয়তে হোটেলৰ কোঠা বুক কৰি বিপদতহে পৰিবলগীয়া হ'ল এজন গ্ৰাহক। শেহতীয়াকৈ এগৰাকী ভুক্তভোগী ব্যক্তিৰ এটা পোষ্ট আৰু তেওঁ শ্বেয়াৰ কৰা কেইখনমান ফটোৱে ছ'চিয়েল মিডিয়াত সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। অনলাইন এপৰ জৰিয়তে কোঠা বুক কৰি সোঁশৰীৰে উপস্থিত হৈ হোটেলৰ কোঠাৰ অৱস্থা দেখি মূৰে-কপালে হাত দিবলগীয়া হয় ব্যক্তিজনে। অমিত চামচিকাৰ নামৰ ব্যক্তিজনে এক্স হেণ্ডেলত শ্বেয়াৰ কৰিছে তেওঁৰ অভিজ্ঞতা আৰু কেইখনমান ফটো। দৰাচলতে 'অয়ো এপ'ৰ জৰিয়তে বাংগালুৰু চহৰত দুটা দিনৰ বাবে ৩০৬০ টকাত এটা হোটেলৰ কোঠা বুক কৰিছিল অমিত চামচিকাৰে। কিন্তু বাংগালুৰুত উপস্থিত হোৱাৰ পিছত তেওঁ যেতিয়া তেওঁ হোটেলখন বিচাৰি যায়, তেতিয়া দেখে যে হোটেলখনৰ মেৰামতিৰ কাম চলিহে আছে। ব্যক্তিজনে উল্লেখ কৰা মতে, হোটেলৰ ঠিকনালৈ যোৱাৰ সময়ত তাত কোনো লোক উপস্থিত নাছিল। ইয়াৰ পিছতে ব্যক্তিজনে এক্স হেণ্ডেলত লিখে, "বেংগালুৰু সম্পৰ্কে সতৰ্কবাণী। এইমাত্ৰ ইয়াত উপস্থিত হৈ গম পালোঁ যে মই বুকিং কৰা হোটেলখনৰ মেৰামতিৰ কাম চলি আছে। ইয়াত কোনো কৰ্মচাৰী নাছিল। এয়া ঠগবাজ! ইয়াত দুঘণ্টা সময় নষ্ট কৰাৰ পিছত তেওঁলোকে মোৰ পৰা টকা লৈ গ'ল। ধিক্কাৰ!" অৱশেষে পিছত অমিতে আন এটা পোষ্টত জানিবলৈ দিয়ে যে তেওঁ এই বিষয়ে অভিযোগ কৰাৰ পিছত ৩১৪১ টকা ঘূৰাই পাইছে। কিন্তু তেওঁ প্ৰশ্ন উত্থাপন কৰে- 'এয়া পইচা ঘূৰাই পোৱাতকৈও বহু গুৰুতৰ। মই হোটেলত উপস্থিত হোৱা সময় দিনৰ ডেৰ বজাৰ বিপৰীতে ৰাতিৰ ডেৰ বজা হ'ব পাৰিলেহেঁতেন। মোৰ সৈতে মোৰ পৰিয়াল থাকিব পাৰিলেহেঁতেন, অথবা মোৰ ঠাইত কোনোবা মহিলা হ'ব পাৰিলেহেঁতেন। তেনে পৰিস্থিতিত এই গাফিলতি কিমান ভয়াবহ হ'ব পাৰিলেহেঁতেন ভাৰি চোৱাৰ প্ৰয়োজন।'

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান